পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 559 দিশপুৰ, শুক্ৰবাৰ, 1 আগষ্ট, 2025, 10 শাওণ, 1947 (শক)

No. 559 Dispur, Friday, 1st August, 2025, 10th Sravana, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 1st August, 2025

**No. LGL.19/2017/64.–** The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble President of India on 19th June, 2025 is hereby published for general information.

**ASSAM ACT NO. XXXIII OF 2025**

**(Received the assent of the Hon'ble President of India on 19th June, 2025)**

## THE INDIAN PARTNERSHIP (ASSAM AMENDMENT) ACT, 2023

# AN
# ACT

further to amend the Indian Partnership Act, 1932.

Preamble

Whereas it is expedient to amend the Indian Partnership Act, 1932, hereinafter referred to as the principal Act, in the manner hereinafter appearing; Central Act No. IX of 1932

It is hereby enacted in the Seventy-fourth Year of the Republic of India as follows:-

Short title, extent and commencement

1. (1) This Act may be called the Indian Partnership (Assam Amendment) Act, 2023.

(2) It extends to the whole of the State of Assam.

(3) It shall come into force at once.

Amendment of section 58

2. In the principal Act, in section 58,

(1) for sub-section (3), the following shall be substituted, namely:-

"(3) (i) A firm shall not have any of the names or emblems specified in the Schedule to the Emblems and Names (Prevention of Improper Use) Act, 1950, or any colourable imitation thereof unless permitted so to do under that Act or any name which is likely to be associated by the public with the name of any other firm on account of similarity or any name which, in the opinion of the Registrar for reasons to be recorded in writing, is undesirable. Central Act No. XII of 1950

(ii) A firm's name shall not contain any of the following words, namely:-

"Union", "State", "President", "Republic", "Governor" or words expressing or implying sanction, approval or patronage of Government, unless the Government of Assam signifies, by order in writing, its consent to the use of such words as part of the firm's name.";

(2) after sub-section (3), the following new sub-sections (4) and (5) shall be inserted, namely:-

"(4) No firm shall be registered by a name which in the opinion of the Register is undesirable on any of the grounds as mentioned in sub-section (3).

"(5) Any person aggrieved by an order of the Registrar under sub-section (3) and (4) may, within 30 days from the date of communication of such order, appeal to the State Government whose decision thereon shall be final."

Insertion of new section 70A

3. In the principal Act, after section 70, the following new section 70A shall be inserted, namely:-

**"Maximum fees and power to amend Schedule-I**

70A. (1) The fees payable under this Act and the rules made thereunder shall not exceed the maximum fees as specified in Schedule-I.

(2) Subject to the provisions of this section the State Government may, having regard to the expenditure incurred or to be incurred for carrying out the purposes of this Act, from time to time, by notification in the Official Gazette, vary any of the amounts of maximum fees and other particulars specified in Schedule-I, and thereupon, the said Schedule shall be deemed to be amended accordingly.

(3) Every notification issued under sub-section (2) shall take effect from the date of its publication in the Official Gazette, unless some other date is specified therein for this purpose.

(4) Every notification issued by the State Government under sub-section (2) shall be laid, as soon as may be after it is issued, before the State Legislature, while it is in session, for a total period of thirty days, which may be comprised in one session or in two successive sessions, and if, before the expiry of the session in which it is so laid or the session immediately following, the House agrees in making any modification in the notification or House agrees that the notification should not be issued, and notify such decision in the Official Gazette, the notification shall, from the date of publication of such decision, have effect only in such modified form or be of no effect, as the case may be; so, however, that any such modification or annulment shall be without prejudice to the validity of anything previously done or omitted to be done in pursuance of that notification."

Amendment of section 71

4. In the principal Act, in section 71, for sub-section (1), the following shall be substituted, namely:-

"(1) Subject to the provisions of section 70A, the State Government may, by notification in the Official Gazette make rules prescribing the fees which shall accompany documents sent to the Registrar or which shall be paid in respect of any intimation, notice or application given to the Registrar or which shall be payable for the inspection of documents in the custody of the Registrar or for copies from the Register of Firms or which shall be paid for supply of any prescribed forms.".

Insertion of Schedule-I

5. In the principal Act, for the existing Schedule-I, the following shall be substituted, namely:-

**"SCHEDULE-I**
**MAXIMUM FEES**
**[See section 70A and 71 (1)]**

| **Document or Act in respect of which the fee is payable** | **Maximum fee** |
|---|---|
| Statement under section 58 | Two Thousand |
| Statement under section 60 | One Thousand |
| Intimation under section 61 | One Thousand |
| Intimation under section 62 | One Thousand |
| Notice under section 63 | One Thousand |
| Application under section 64 | One Thousand |
| Inspection of Register of Firms under sub-section (1) of section 66 | One Thousand |
| Inspection of documents relating to a firm under sub-section (2) of section 66 | One Thousand |
| Copies from the Register of Firms | One Thousand |

**GEETANJALI DAS SAIKIA,**
Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

## ২০২৫ চনৰ অসম অধিনিয়ম নং XXXIII

**(২০২৫ চনৰ ১৯ জুনত ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি মহোদয়ৰ অনুমোদন লাভ কৰে)**

# ভাৰতীয় অংশীদাৰিত্ব (অসম সংশোধন) অধিনিয়ম, ২০২৩

**অধিনিয়ম**

**১ আগষ্ট, ২০২৫**

ভাৰতীয় অংশীদাৰিত্ব অধিনিয়ম, ১৯৩২ ক পৰৱৰ্তী সংশোধন কৰিবলৈ **এখন অধিনিয়ম**।

প্ৰস্তাৱনা — যিহেতু ভাৰতীয় অংশীদাৰিত্ব অধিনিয়ম, ১৯৩২, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত অভিহিত কৰা হৈছে , ইয়াৰ পিছত প্ৰতীত হোৱা ধৰণেৰে পৰৱৰ্তী সংশোধন কৰাটো কালোচিত ; *(১৯৩২ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং IX)*

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ চৌসত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছে :-

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন ভাৰতীয় অংশীদাৰিত্ব (অসম সংশোধন) অধিনিয়ম, ২০২৩ বুলি অভিহিত হ'ব।

(২) ই সমগ্ৰ অসম ৰাজ্যতে বিস্তাৰিত হ'ব ।

(৩) ই তাৎক্ষণিকভাৱে বলবৎ হ'ব ।

ধাৰা ৫৮ ৰ সংশোধন — ২। মূল অধিনিয়মত, ধাৰা ৫৮ ত,

(১) উপ-ধাৰা (৩) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—

"(৩) (i) কোনো ব্যৱসায়িক প্ৰতিষ্ঠানৰ, প্ৰতীক আৰু নাম (অনুচিত ব্যৱহাৰ প্ৰতিৰোধ) অধিনিয়ম, ১৯৫০ ৰ অনুসূচীত বিনিৰ্দিষ্ট কৰা কোনো নাম বা প্ৰতীক, বা ইয়াৰ কোনো নকল অনুকৃতি নাথাকিব যদিহে সেই অধিনিয়মৰ অধীনত তেনে কৰিবলৈ অনুজ্ঞাপ্ৰাপ্ত নহয়, বা কোনো নাম যিটো কোনো অন্য ব্যৱসায়িক প্ৰতিষ্ঠানৰ নামৰ সৈতে সাদৃশ্য থকাৰ কাৰণে জনসাধাৰণৰ লগত সংসৰ্গিত হোৱাৰ সম্ভাৱনা আছে বা কোনো নাম যিটো, পঞ্জীয়কজনৰ মতে লিখিতভাৱে অভিলিখিত কৰিবলগীয়া কাৰণ সমূহৰ বাবে অনুচিত হয় । *(১৯৫০ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং XII)*

(ii) কোনো ব্যৱসায়িক প্ৰতিষ্ঠানৰ নামে নিম্নলিখিত কোনো শব্দাৱলী সন্নিৱিষ্ট নকৰিব, যথা:—

"সংঘ", "ৰাজ্য", "ৰাষ্ট্ৰপতি", "গণৰাজ্য", "ৰাজ্যপাল" বা চৰকাৰৰ মঞ্জুৰী, অনুমোদন বা পৃষ্ঠপোষকতা প্ৰকাশ কৰা বা ইংগিত দিয়া শব্দাৱলী, যদিহে অসম চৰকাৰে, লিখিতভাৱে আদেশৰ দ্বাৰা, ব্যৱসায়িক প্ৰতিষ্ঠানৰ নামৰ অংশ হিচাপে এনে শব্দাৱলী ব্যৱহাৰৰ বাবে ইয়াৰ সন্মতি প্ৰকাশ নকৰে ।";

(২) উপ-ধাৰা (৩)ৰ পিছত, নিম্নলিখিত নতুন উপ-ধাৰা (৪) আৰু (৫) স্থাপিত কৰা হ'ব, যথা:—

"(৪) কোনো ব্যৱসায়িক প্ৰতিষ্ঠানক এনে নামেৰে পঞ্জীয়ন কৰা নহ'ব যিটো পঞ্জীয়কজনৰ মতে উপ-ধাৰা (৩) ত উল্লেখ কৰা ধৰণে যিকোনো এক ভিত্তিত অনুচিত ।"

"(৫) উপ-ধাৰা (৩) আৰু (৪) ৰ অধীনত পঞ্জীয়কজনৰ এক আদেশৰ দ্বাৰা ক্ষুন্ন হোৱা কোনো ব্যক্তিয়ে, এনে আদেশৰ যোগাযোগৰ তাৰিখৰ পৰা ৩০ দিনৰ ভিতৰত, ৰাজ্য চৰকাৰৰ ওচৰত আপীল কৰিব পাৰে যাৰ সিদ্ধান্ত এইক্ষেত্ৰত চূড়ান্ত হ'ব ।"

**নতুন ধাৰা ৭০ক ৰ স্থাপন**

৩। মূল অধিনিয়মত, ধাৰা ৭০ ৰ পিছত, নিম্নলিখিত নতুন ধাৰা ৭০ক স্থাপিত কৰা হ'ব, যথা:—

"সৰ্বাধিক মাচুল আৰু অনুসূচী-। ক সংশোধন কৰিবলৈ ক্ষমতা

৭০ক. (১) এই অধিনিয়ম আৰু ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অধীনত শোধনীয় মাচুল অনুসূচী-। ত যথা বিনিৰ্দিষ্ট সৰ্বাধিক মাচুলতকৈ অধিক নহ'ব ।

(২) এই ধাৰাৰ উপবন্ধাৱলীৰ সাপেক্ষে, ৰাজ্য চৰকাৰে এই অধিনিয়মৰ উদ্দেশ্যসমূহ কাৰ্য্যকৰী কৰাৰ বাবে কৰা বা কৰিবলগীয়া খৰচৰ সন্দৰ্ভত, সময়ে সময়ে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে, অনুসূচী-। ত বিনিৰ্দিষ্ট সৰ্বাধিক মাচুলৰ যিকোনো ৰাশিৰ আৰু অন্য সৱিশেষ সমূহৰ পৰিৱৰ্তন কৰিব পাৰে আৰু তাৰ পিছত, উক্ত অনুসূচীখন তদনুসাৰে সংশোধন কৰা বুলি গণ্য কৰা হ'ব ।

(৩) উপ-ধাৰা (২) ৰ অধীনত জাৰি কৰা প্ৰতিটো অধিসূচনা চৰকাৰী ৰাজপত্ৰত ইয়াৰ প্ৰকাশৰ তাৰিখৰ পৰা কাৰ্যকৰী হ'ব, যদিহে এই উদ্দেশ্যে ইয়াত আন কোনো তাৰিখ বিনিৰ্দিষ্ট কৰা হোৱা নাই ।

(৪) উপ-ধাৰা (২) ৰ অধীনত ৰাজ্য চৰকাৰৰ দ্বাৰা জাৰি কৰা প্ৰতিটো অধিসূচনা, ইয়াক জাৰি কৰাৰ পিছতে অনতিবিলম্বে, অসম বিধানসভাৰ আগত উপস্থাপন কৰিব, যেতিয়া সৰ্বমুঠ ত্ৰিশ দিনৰ এক অৱধিৰ বাবে ইয়াৰ অধিবেশন চলি থাকে, যি এক অধিবেশন বা দুই বা তাতোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হ'ব পাৰে, আৰু যদি ইয়াক উত্থাপন কৰা অধিবেশনখন বা পৰৱৰ্তী তাৎক্ষণিক অধিবেশনৰ পৰিসমাপ্তিৰ পূৰ্বে, সদনে নিয়মৰ কোনো সাল-সলনি কৰাত সন্মতি দিয়ে বা সদনে অধিসূচনা জাৰি কৰিব নালাগে বুলি মত পোষণ কৰে, আৰু চৰকাৰী ৰাজপত্ৰত তেনে সিদ্ধান্ত অধিসূচিত কৰে, সেই অধিসূচনা তেনে সিদ্ধান্ত প্ৰকাশিত হোৱা তাৰিখৰ পৰা, তেতিয়া ইয়াৰ তৎপশ্চাৎ কেৱল এনে সলনিকৃত ৰূপত এই অধিসূচনাৰ প্ৰভাৱ থাকিব বা প্ৰভাৱ নাথাকিব, যথাস্থিতি, তেনেদৰে, যেই হওঁক তেনে কোনো সাল-সলনি বা বাতিলকৰণে সেই নিয়মৰ অধীনত ইতিপূৰ্বে কৰা যিকোনো কথাৰ বৈধতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলায় ।

ধাৰা ৭১ ৰ সংশোধন

৪। মূল অধিনিয়মত, ধাৰা ৭১ ত, উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্রতিষ্ঠাপিত কৰা হ'ব, যথা:—

"(১) ধাৰা ৭০ক ৰ উপবন্ধাৱলী সাপেক্ষে, ৰাজ্য চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে মাচুল বিহিত কৰি নিয়মাৱলী প্রণয়ন কৰিব পাৰে, যিটোৱে পঞ্জীয়কলৈ প্রেৰণ কৰা দস্তাবেজসমূহ সংলগ্ন কৰিব বা যিটো পঞ্জীয়কজনক প্রদান কৰা কোনো সূচনা, জাননী বা আবেদনৰ সন্দৰ্ভত পৰিশোধ কৰা হ'ব বা যিটো পঞ্জীয়কজনৰ অভিৰক্ষাত থকা দস্তাবেজসমূহৰ পৰীক্ষণৰ বাবে বা ব্যৱসায়িক প্রতিষ্ঠানসমূহৰ পঞ্জীৰ পৰা প্রতিলিপিসমূহৰ বাবে শোধনীয় হ'ব বা যিটো কোনো বিহিত প্র-পত্র সমূহৰ যোগানৰ বাবে পৰিশোধ কৰা হ'ব।"

অনুসূচী-। ৰ স্থাপন

৫। মূল অধিনিয়মত, বিদ্যমান অনুসূচী-। ৰ সলনি, নিম্নলিখিত প্রতিষ্ঠাপিত কৰা হ'ব, যথা:—

**"অনুসূচী-।**
**সৰ্বাধিক মাচুল**
**[ধাৰা ৭০ক আৰু ৭১ (১) চাওক]।**

| **দস্তাবেজ বা অধিনিয়ম যাৰ পৰিপ্ৰেক্ষিতত শোধনীয় মাচুল** | **সৰ্বাধিক মাচুল** |
|---|---|
| ধাৰা ৫৮ৰ অধীনত বিবৃতি | দুই হাজাৰ |
| ধাৰা ৬০ৰ অধীনত বিবৃতি | এক হাজাৰ |
| ধাৰা ৬১ৰ অধীনত সূচনা | এক হাজাৰ |
| ধাৰা ৬২ৰ অধীনত সূচনা | এক হাজাৰ |
| ধাৰা ৬৩ৰ অধীনত জাননী | এক হাজাৰ |
| ধাৰা ৬৪ৰ অধীনত আবেদন | এক হাজাৰ |
| ধাৰা ৬৬ৰ উপ-ধাৰা (১)ৰ অধীনত ব্যৱসায়িক প্রতিষ্ঠানৰ পঞ্জীৰ পৰীক্ষণ | এক হাজাৰ |
| ধাৰা ৬৬ৰ উপধাৰা (২)ৰ অধীনত এখন ব্যৱসায়িক প্রতিষ্ঠানৰ সৈতে জড়িত দস্তাবেজ সমূহৰ পৰীক্ষণ | এক হাজাৰ |
| ব্যৱসায়িক প্রতিষ্ঠান সমূহৰ পঞ্জীৰ পৰা প্রতিলিপি সমূহ | এক হাজাৰ |

"

**গীতাঞ্জলী দাস শইকীয়া,**
সচিব, অসম চৰকাৰ,
বিধান বিভাগ, দিছপুৰ, গুৱাহাটী-৬

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1117 - 10 + 10 -01 - 08 - 2025. (visit at– dpns.assam.gov.in)